গোট - ২

**অসমীয়া ভাষাৰ বৰ্ণতাত্ত্বিক পৰিচয়— অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনিসমূহঃ স্বৰ ব্যঞ্জন, অসমীয়া আখৰ**


অধ্যায় গাঁথনি

উদ্দেশ্য

পৰিচয়

অসমীয়া ধ্বনিতত্ত্ব

২.১ স্বৰবৰ্ণ

বিশিষ্ট স্বৰধ্বনি, আখৰ আৰু গৌণ চিহ্ন

২.১.১ বিশিষ্ট স্বৰধ্বনিসমূহৰ প্ৰয়োগ

২.১.২ স্বৰবৰ্ণসমূহৰ উপধ্বনি

স্বৰসংযুতি

অসমীয়া স্বৰসমূহৰ উৎস

২.২ বিশিষ্ট ব্যঞ্জনধ্বনি

২.২.১ বিশিষ্টব্যঞ্জনধ্বনিসমূহৰ প্ৰয়োগ

২.২.২. সংযুতি

ব্যঞ্জন সংযুতি

**উদ্দেশ্য**

অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ অধ্যায়টি অধ্যয়ন কৰি আপুনি----

- অসমীয়া ভাষাৰ বিশিষ্ট স্বৰ আৰু ব্যঞ্জন ধ্বনিসমূহৰ লগত পৰিচিত হ'ব;
- অসমীয়া স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ শ্ৰেণীবিভাগ কৰিব পাৰিব
- অসমীয়া আখৰ আৰু বিশিষ্ট ধ্বনিসমূহৰ মাজৰ পাৰ্থক্য জানিব পাৰিব
- স্বৰ আৰু ব্যঞ্জন ধ্বনিসমূহৰ প্ৰয়োগ বিচাৰ কৰিব পাৰিব
- অসমীয়া স্বৰ আৰু ব্যঞ্জন ধ্বনিসমূহৰ উপধ্বনিসমূহৰ বিষয়ে জানিব পাৰিব
- অসমীয়া ভাষাৰ লয় বৰ্ণসমূহৰ বিষয়ে জানিব পাৰিব।

**পৰিচয়**

স্নাতকোত্তৰ অসমীয়া ............... ষাণ্মাসিকৰ বাবে আগবঢ়োৱা এইখন.......... কাকতৰ এইটো দ্বিতীয় অধ্যায়। 'অসমীয়া ভাষাৰ বৰ্ণতাত্তিক পৰিচয়--- অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনিসমূহঃ স্বৰ ব্যঞ্জন, অসমীয়া আখৰ' শীৰ্ষক এই অধ্যায়টোৰ দ্বাৰা শিক্ষাৰ্থীয়ে অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনি ধ্বনিসমূহৰ বিষয়ে জানিব পাৰিব। অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনিসমূহৰ বিষয়ে আলোচনা কৰোঁতে অনুক্ৰম (Segmental phoneme) আৰু উপাহিত বৰ্ণ (Supra-segmental phoneme)-- এই দুটা ভাগত ভাগ কৰি লোৱা হৈছে। শব্দত ব্যৱহৃত ধ্বনিসমূহক একাদিক্ৰমে ভাগ কৰি দেখুৱাব পাৰি। যেনে- 'মাছ' বুলি কওঁতে 'ম', 'আ' আৰু 'ছ' -- এই তিনিটা ধ্বনিৰ সংযুতি দেখুৱাব পাৰি। এনে ধ্বনিবোৰক অনুক্ৰম ধ্বনি বোলা হয়। বিপৰীতে, আন কেতবোৰ বিশিষ্ট ধ্বনি বা বৰ্ণক একাদিক্ৰমে ভাগ কৰি দেখুৱাব নোৱাৰি, তেনেবোৰকে উপাহিত বৰ্ণ বোলে। যেনে- শ্বাসাঘাত, সুৰ আদি।

শিক্ষাৰ্থীসকলে আখৰ, অক্ষৰ, ধ্বনি আৰু বিশিষ্ট ধ্বনি সম্পৰ্কে প্ৰাথমিক জ্ঞান আহৰণ কৰি লোৱা নিতান্ত প্ৰয়োজন হ'ব। সেয়ে ইয়াত চমুকৈ আলচ কৰা হ'ল-

**ধ্বনি**-- বাগিন্দ্ৰিয়ৰ সঞ্চালনৰ দ্বাৰা যিবোৰ নাদ সৃষ্টি কৰা হয়, সিবোৰেই ধ্বনি। ধ্বনিৰ সু-সংগঠনৰ ফলতেই শব্দৰ সৃষ্টি হয়। সাধাৰণতে, হাওঁফাওঁৰ পৰা বায়ুপ্ৰৱাহ বাহিৰলৈ উলিয়াই দি ধ্বনি উচ্চাৰণ কৰা হয়।

**আখৰ**-- বাণীৰ লিখিত প্ৰতীকেই হ'ল আখৰ। অৰ্থাৎ, আখৰ হ'ল একোটা চিহ্ন। 'অ', 'আ', 'ক', 'খ'-- এইসমূহ হ'ল একোটা আখৰ।

**অক্ষৰ**--- এটা হৃৎস্পন্দনত উচ্চাৰিত ধ্বনি বা ধ্বনিসমষ্টিক অক্ষৰ বোলা হয়। যেনে- 'ভাত' বুলি কওঁতে একেটা হৃৎস্পন্দনতে সমগ্ৰ ধ্বনিসমষ্টি উচ্চাৰিত হৈছে। কিন্তু, 'আৰু' বুলি কওঁতে 'আৰ্' আৰু 'উ' এই দুটা হৃৎস্পন্দনত ব্যৱহাৰ হৈছে। সেয়ে, 'ভাত', 'আৰ' আৰু 'উ' একো একোটা ধ্বনিসমষ্টি।

**বিশিষ্ট ধ্বনি বা বৰ্ণ** -- আমি অজস্ৰ ধ্বনি উচ্চাৰণ কৰোঁ। এই অজস্ৰ ধ্বনিসমূহৰ পৰা একে জাতীয় ধ্বনিসমূহৰ এটা গোট কৰি লোৱা হয়। এই গোটটোৱেই বিশিষ্ট ধ্বনি বা বৰ্ণ। বিশিষ্ট ধ্বনি নিৰ্ণয় কৰা হয় সাধাৰণতে এনেধৰণে- অভিন্ন পৰিৱেশত যদি দুটা ধ্বনিৰ সালসলনিৰ ফলত অৰ্থ পৰিৱৰ্তন হয়, তেনেহ'লে ধ্বনিদুটাক বিশিষ্ট ধ্বনি বা বৰ্ণ বোলা হয়। যেনে-

ক অ ল
ব অ ল

এই সদৃশ পৰিৱেশত 'ক' ৰ ঠাইত 'ব'ৰ প্ৰয়োগ কৰোঁতে অৰ্থৰ পৰিৱৰ্তন হ'ল। সেয়ে 'ক' আৰু 'ব' একো একোটা বিশিষ্ট ধ্বনি বা বৰ্ণ। বিশিষ্ট ধ্বনি বা বৰ্ণ হৈছে সূক্ষ্মতম ধ্বনিগোট (unit)। বিশিষ্ট ধ্বনিবোৰ কিন্তু উচ্চাৰণ নহয়, ইহঁত অমূৰ্ত ধাৰণাহে। বিশিষ্ট ধ্বনিয়ে প্ৰতিনিধিত্ব কৰা ধ্বনিসমূহে উচ্চাৰণ হয়। অৰ্থাৎ, ধ্বনি বা উপধ্বনিসমূহহে ব্যৱহাৰ্য ৰূপ।

শিক্ষাৰ্থীসকলে এই সমূহ দিশ খৰচি মাৰি জানি অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি-ব্যঞ্জনধ্বনিসমূহ, সিবোৰৰ প্ৰয়োগ আৰু উপধ্বনিসমূহ প্ৰয়োগৰ লগত পৰিচিত হ'ব। উপধ্বনিসমূহ হ'ল-- বৰ্ণ একোটাই প্ৰতিনিধিত্ব কৰা ধ্বনিসমূহৰ সমষ্টি। প্ৰত্যেকটো বৰ্ণৰে একাধিক উপধ্বনি আছে।

অনুক্ৰম বৰ্ণসমূহৰ বিষয়েও অধ্যায়টিত আলোচনা কৰা হৈছে। বিষয়ৰ লগত সম্পৰ্কিত দিশবোৰ খৰচি মাৰি জানিবলৈ প্ৰসংগ পুথিৰ উল্লেখ কৰা হৈছে। সিবোৰৰ ব্যৱহাৰেৰে শিক্ষাৰ্থীসকলে লাভান্বিত হ'ব পাৰিব।

**অসমীয়া ধ্বনিতত্ত্ব**

ধ্বনিতত্ত্বৰ আলোচনা বিশেষকৈ দুটা ভাগত ভগাই আলোচনা কৰা হয়--- অনুক্ৰম বৰ্ণ আৰু উপাহিত বৰ্ণ। অনুক্ৰম বৰ্ণসমূহৰ স্বৰ আৰু ব্যঞ্জন ---- এই দুই ভাগ। অসমীয়া ভাষাত আঠটা বিশিষ্ট স্বৰধ্বনি বা স্বৰবৰ্ণ আৰু একৈশটা বিশিষ্ট ব্যঞ্জনধ্বনি বা ব্যঞ্জন বৰ্ণ আছে। অৱশ্যে, 'য়' আৰু 'ৱ' এই দুটা অৰ্ধ স্বৰক বিশিষ্ট ব্যঞ্জন বুলি ধৰিলে ব্যঞ্জন বৰ্ণৰ সংখ্যা হ'বগৈ তেইশটা।

অসমীয়া ভাষাত চন্দ্ৰবিন্দু (অনুনাসিকতা), শাব্দিক শ্বাসাঘাত আৰু মুক্ত সন্ধি আদি উপাহিত বৰ্ণ পোৱা যায়। এই উপাহিত বৰ্ণসমূহক লয় বণ বুলিও কোৱা হয়।

তলত একাদিক্ৰমে এই এই বিশিষ্ট ধ্বনি বা বৰ্ণসমূহৰ আলোচনা কৰা হ'ল-

**স্বৰবৰ্ণ**

অসমীয়া ভাষাত বিশিষ্ট স্বৰ ধ্বনি বা বৰ্ণ পোৱা যায় আঠোটা। স্বৰধ্বনিসমূহক জিভাৰ উচ্চতা আৰু ওঁঠৰ আকৃতি অনুযায়ী ভাগ কৰিব পাৰি। যেনে- সেইকেইটা হ'ল -

| জিভাৰ উচ্চতা অনুসৰি | | বিবৃতৌষ্ঠ | | সংবৃতৌষ্ঠ |
|---|---|---|---|---|
| | ওঁঠৰ আকৃতি অনুসৰি | সন্মুখ | কেন্দ্ৰীয় | পশ্চ |
| | উচ্চ | ই (i) | | উ (u) |
| | মধ্যসম | এ'(e) | | ও (o) |
| | মধ্যাভাস | এ (ɛ) | | অ' (ɔ) |
| | নিম্ন | | আ (ɐ) | অ (ɒ) |

স্বৰধ্বনিসমূহৰ উচ্চাৰণত জিভাৰ অৱস্থান আৰু জিহ্বাদলৰ ভূমিকা গুৰুত্বপূৰ্ণ। জিভাৰ অৱস্থান অনুযায়ী অসমীয়া স্বৰবৰ্ণসমূহক উচ্চ, মধ্যসম, মধ্যাভাস আৰু নিম্ন এইদৰে ভাগ কৰা হৈছে। অসমীয়াৰ আঠটা উচ্চাৰিত স্বৰৰ ই, এ', এ সন্মুখ স্বৰ; উ, ও, অ', অ পশ্চ স্বৰ; আৰু 'আ' কেন্দ্ৰীয় স্বৰ। আকৌ, ওঁঠৰ আকৃতি অনুযায়ী এই স্বৰবৰ্ণসমূহক- / ই /, / এ' /, / এ /, / আ / বিবৃতৌষ্ঠ আৰু /উ/, /ও/, /অ'/, / অ / সংবৃতৌষ্ঠ ৰূপে ভাগ কৰিব পাৰি।

অসমীয়াৰ স্বৰবৰ্ণবোৰ ঘোষ আৰু অনিয়ত। অসমীয়া স্বৰৰ হ্ৰস্ব-দীৰ্ঘৰো পাৰ্থক্য নাই। সেয়ে দৈৰ্ঘ্য অসমীয়াত বিশিষ্ট ধ্বনি নহয়। লিখোঁতে ব্যৱহাৰ কৰাৰ কাৰণ হ'ল- অসমীয়া আখৰ জোঁটনি বা বৰ্ণ-বিন্যাস পদ্ধতি সংস্কৃত আৰ্হিৰ। এই স্বৰ্বৰ্ণকেইটা লিখিবলৈ অসমীয়াত এঘাৰটা আখৰ ব্যৱহাৰ কৰা হয়। সংস্কৃত বৰ্ণমালাৰ আৰ্হিতে অসমীয়া লিপিমালা গঢ় লৈছে যদিও অসমীয়াত দুটা সুকীয়া স্বৰবৰ্ণ পোৱা যায়। এই বৰ্ণ দুটা হৈছে - / অ' / আৰু / এ' /। এই বৰ্ণ দুটা লিখিবলৈ অসমীয়াত সুকীয়া আখৰৰ অভাৱ। সেয়ে -' এই চিনৰ দ্বাৰা নিৰ্দেশ কৰা হয়। যেনে-

/ ব    অ'    ল /    ব'ল,
/ ব    এ'    ল /    বে'ল;    ইত্যাদি।

**বিশিষ্ট স্বৰধ্বনি, আখৰ আৰু গৌণ চিহ্ন**

ধ্বনিবোৰক প্ৰতিনিধিত্ব কৰা আখৰবোৰৰ দুটা ৰূপ পোৱা যায়--- মুখ্য ৰূপ আৰু গৌণ ৰূপ। মুখ্য ৰূপে মূল আখৰসমূহক বুজায় আৰু গৌণ ৰূপসমূহে মূল আখৰবোৰক প্ৰতিনিধিত্ব কৰা চিনসমূহক বুজায়। তলত এই বিশিষ্ট স্বৰধ্বনি, আখৰ আৰু গৌণ প্ৰতীকবোৰৰ এখন তালিকা দাঙি ধৰা হ'ল -

| বিশিষ্ট ধ্বনি | আখৰ | গৌণ প্ৰতীক |
|---|---|---|
| / ই / | ই, ঈ | ি, ী |
| / উ / | উ, ঊ | ু, ূ |
| / এ / } / এ' / | এ | ে |
| / ও / | ও | ো, |
| / অ / } / অ' / | অ | -, |
| / আ / | আ | া |

**অগ্ৰগতি নিৰীক্ষণ**
অসমীয়া স্বৰবৰ্ণৰ তালিকা এখন যুগুত কৰা।

**স্বৰধ্বনিৰ প্ৰয়োগ বিচাৰ**

বিশিষ্ট ধ্বনি বা বৰ্ণ নিৰ্ণয় কৰা হয় বিৰোধ বিচাৰ কৰি। সদৃশ পৰিৱেশত যদি ধ্বনি পৰিৱৰ্তনৰ ফলত অৰ্থৰ তাৰতম্য ঘটে, তেতিয়াই ধ্বনি দুটাক বৰ্ণ বুলি স্বীকৃতি দিয়া হয়। অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিবোৰৰ বিৰোধ তিনি ধৰণে হয় বুলি ড° গোলোকচন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰিছে। এই তিনিটা ধৰণ হ'ল- আঠটা বৰ্ণৰ বিৰোধ, ছটা বৰ্ণৰ বিৰোধ আৰু পাঁচটা বৰ্ণৰ বিৰোধ।

**আঠটা বৰ্ণৰ বিৰোধ**

বদ্ধ অক্ষৰত বা পৰৱৰ্তী অক্ষৰত / ই, উ / নাথাকিলে মুক্ত অক্ষৰত আঠোটা স্বৰৰ মাজত বিৰোধ ঘটে। অৱশ্যে / ম, ন, ঙ / বা সংযুক্ত ব্যঞ্জন যদি ব্যৱধায়কৰূপে থাকে, মুক্ত অক্ষৰৰ পিছত / ই, উ / থাকিলেও সকলো স্বৰৰ মাজত বিৰোধ দেখা পোৱা যায়।

**বদ্ধ অক্ষৰত আঠোটা স্বৰৰ বিৰোধ**

| | | | | |
|---|---|---|---|---|
| / ই/ **:** | / ব | ই | ল / | বিল |
| / উ/ **:** | / ব | উ | ল / | বুল |
| / এ’/**:** | / ব | এ’ | ল / | বে’ল |
| / ও/ **:** | / ব | ও | ল / | বোল |
| / এ/ **:** | / ব | এ | ল / | বেল |
| / অ’/**:** | / ব | অ’ | ল / | বল |
| / অ/ **:** | / ব | অ | ল / | বল |
| / আ/**:** | / ব | আ | ল / | বাল |

**ছটা বৰ্ণৰ বিৰোধ**

পৰৱৰ্তী অক্ষৰত / ই / আৰু / ম, ন, ঙ / ভিন্ন অন্য একক ব্যঞ্জন ব্যৱধায়ক ৰূপে থাকিলে মুক্ত অক্ষৰৰ ছটা বৰ্ণৰ বিৰোধ দেখা যায়। বিৰোধ দেখা পোৱা ছয়টা বৰ্ণ হ’ল- / ই, উ, এ’, ও, অ’, আ /

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| / ই/ **:** | / ভ | ই | ন | ই | হ | ই / | ভিনিহি |
| / এ’/**:** | / ত | এ’ | ত | এ’ | ল | ই / | তেতেলি |
| / ও/ **:** | / ভ | ও | গ | ই / | | | ভোগী |
| / উ/ **:** | / ভ | উ | গ | ই / | | | ভুগি |
| / অ’/**:** | / ৰ | অ’ | দ | আ | ল | ই / | ৰ’দালি |
| / আ/**:** | / ম | অ | দ | আ | হ | ই / | মদাহী |

**পাঁচটা বৰ্ণৰ বিৰোধ**

মুক্ত অক্ষৰৰ আসন্ন পৰৱৰ্তী অক্ষৰত উ আৰু ব্যৱধায়কৰূপে যিকোনো একক ব্যঞ্জন বৰ্ণ থাকিলে পাঁচটা বৰ্ণৰ মাজতহে বিৰোধ দেখা যায়। এই পাঁচোটা বৰ্ণ হ’ল- / ই, এ’, আ, অ’, উ /

| | | | | | |
|---|---|---|---|---|---|
| /ই/**:** | / ৰ | ই | ত | উ / | [ৰিতু (ঋতু)] |
| /এ’/**:** | / ধ | এ’ | ন | উ / | (ধেনু) |
| /আ/**:** | / ক | আ | ন | উ / | (কানু) |
| /অ’/**:** | / প | অ’ | ল | উ / | (পলু) |
| /উ/ **:** | / হ | উ | দ | উ / | (হুদু) |

অসমীয়া ভাষাৰ সকলো স্বৰধ্বনিৰ ব্যৱহাৰ সমান নহয়। / এ, অ, ও / পৰিৱেশ সীমাবদ্ধ। আন স্বৰসমূহৰ সীমাবদ্ধতা নাই। যেনে--

/ এ / **:**

(ক) বদ্ধাক্ষৰত এ ৰ প্ৰয়োগ বহুল; যেনে-

/ খ এ ল / (খেল),
/ ম এ ল / (মেল),
/ ব এ ল / (বেল); আদি।

(খ) আসন্ন পৰৱৰ্তী অক্ষৰত / এ’, ও, এ, অ, অ’, আ / থাকিলে পূৰ্বৱৰ্তী অক্ষৰত /এ/ হ’ব পাৰে। কিন্তু, / এ’, অ’, ও / থাকিলে / এ / ৰ বিকল্পে /এ’ / হয়। কিন্তু, অনুনাসিক / এঁ / হ’লে বিকল্প ৰূপ ব্যৱহাৰ নহয়। যেনে-

/ ম এ খ এ ল আ / (মেখেলা)
কিন্তু, / ল এ খ অ ন ই / ~ / ল এ খ অ’ ন ই / (লেখনী)
/ ল এ ত এ ৰ ই / ~ / ল এ ত এ’ ৰ ই / (লেতেৰী)
/ ক এঁ ৰ আ / (কেঁৰা)
/ ফ এঁ চ আ / (ফেঁচা)

/ অ / **:**

(ক) পৰৱৰ্তী অক্ষৰত / ই, উ / নাথাকিলে / অ / -ৰ বহুল প্ৰয়োগ দেখা যায়। / ম, ন, ঙ / ব্যৱধায়কৰূপে থাকিলে / অ /-ৰ বিকল্পে /অ' / হ'ব পাৰে। কিন্তু, অনুনাসিক / অঁ / হ'লে বিকল্প ৰূপ ব্যৱহাৰ নহয়। যেনে-

/ প অ ক / (পক)
/ ত অ ল / (তল)
বিকল্প, / ম অ ন ই / ~ / ম অ' ন ই / (মণি)
/ ধ অ ন উ / ~ / ধ অ' ন উ/ (ধনু)
/ ঘ অঁ হ অ ন ই / (ঘঁহনি)

(খ) পূৰ্বৱতী বা পৰৱৰ্তী অৱস্থানত / অ' / থাকিলে / অ / > / অ' / হয়। যেনে-

/ ক অ' ব অ / ~ / ক অ' ব অ' / (ক'ব ~ ক'ব')
/ হ অ' ব অ / ~ / হ অ' ব অ' / (হ'ব ~ হ'ব')।

পৰৱৰ্তী অক্ষৰত ও স্বৰ থাকিলেও / অ / > / অ' / হয়। যেনে-

/ ক অ ল ও / ~ / ক অ' ল ও / (ক'লো)
/ ল অ ল ও / ~ / ল অ' ল ও / (ল'লো)

/ ও / :

(ক) পৰৱৰ্তী অক্ষৰত / উ / থাকিলে মুক্ত অক্ষৰত / ও / পোৱা নাযায়। যেনে-

/ দ এ খ ও ৱ আ / ~ / দ এ খ উ ৱ আ / (দেখুওৱা)

(খ) পৰৱৰ্তী অক্ষৰত / ই / থাকিলে / ও / > / উ / হয়। যেনে-

/ গ ও প ই / ~ / গ উ প ই / (গোপী)

**স্বৰবৰ্ণসমূহৰ উপধ্বনি**

/ i / :

/ i /
[ i ] [iː]

[i] :

প্ৰয়োগ- শব্দৰ সকলো স্থানতে উচ্চাৰণ হয়। যেনে-

ইটা [i]ta
শিমলু x[i]mɒlu
মাটি mat[i]

[iː] :

প্ৰয়োগ- কেৱল একাক্ষৰী শব্দসমূহত উচ্চাৰণ হয়। যেনে-

শিল x[iː]l
কি k[iː]

/ u / :

/ u /
[ u] [uː]

[u] :

প্ৰয়োগ- শব্দৰ সকলো স্থানতে উচ্চাৰণ হয়। যেনে-

উপমা [u]pɒma
কুকুৰ k[u]k[u]r
শিমলু ximɒl[u]

[uː] :

প্ৰয়োগ- কেৱল একাক্ষৰী শব্দসমূহত উচ্চাৰণ হয়। যেনে-

ঊণ [uː]n

শূল x[uː]l

/ e / :

/ e /

[e] [eː]

ɒ

[e] :

প্ৰয়োগ- দ্বি-অক্ষৰযুক্ত শব্দৰ পৰৱৰ্তী অক্ষৰৰ অক্ষৰাধাৰ [i] বা [u] হ'লে। যেনে-

ভেটি $b^{h}$[e]ti
পেটু p[e]tu

[eː] :

প্ৰয়োগ- কেৱল একাক্ষৰী শব্দসমূহত উচ্চাৰণ হয়। যেনে-

ৰে'ল r[eː]l
ভেদ $b^{h}$[eː]d

/ ɛ / :

/ ɛ /

[ɛ] [ɛː]

[ɛ] :

প্ৰয়োগ- শব্দৰ সকলো স্থানতে উচ্চাৰণ হয়। যেনে-

এপাল [ɛ]pal
কেতিয়া k[ɛ]tia

[ɛː] :

প্ৰয়োগ- কেৱল একাক্ষৰী শব্দসমূহত উচ্চাৰণ হয়। যেনে-

এক [ɛː]k
মেল m[ɛː]l

/ o / :

/ o /

[o] [oː]

[o] :

প্ৰয়োগ- শব্দৰ সকলো স্থানতে উচ্চাৰণ হয়। যেনে-

ওকালি [o]kali
নোদোকা n[o]d[o]ka
সকলো xakal[o]

[oː] :

প্ৰয়োগ- একাক্ষৰী শব্দসমূহত উচ্চাৰণ হয়। যেনে-

ওল [oː]l
খোল $k^{h}$[oː]l

/ ɔ / :

/ ɔ /

[ɔ] [ɔː]

[ɔ] :

প্ৰয়োগ- দ্বি-অক্ষৰৰ শব্দত পৰৱৰ্তী অক্ষৰৰ অক্ষৰাধাৰ [i] বা [u] হ'লে উচ্চাৰণ হয়। যেনে-

গতি g[ɔ]ti
গৰু g[ɔ]ru

[ɔː] :

প্ৰয়োগ- একাক্ষৰী শব্দসমূহত উচ্চাৰণ হয়। যেনে-

ব'ল b[ɔː]l
শ'ল x[ɔː]l

/ ɒ / :

/ ɒ /
[ɒ] [ɒː]

[ɒ] :
প্ৰয়োগ- শব্দৰ সকলো স্থানতে উচ্চাৰণ হয়। যেনে-

অকল [ɒ]k[ɒ]l
কাকত k[ɒ] kɒt
পাভ pab$^h$[ɒ]

[ɒː] :
প্ৰয়োগ- একাক্ষৰী শব্দসমূহত উচ্চাৰণ হয়। যেনে-

মন m[ɒː]n
কল k[ɒː]l

/ a / :

/ a /
[a] [aː]

[a] :
প্ৰয়োগ- শব্দৰ সকলো স্থানতে উচ্চাৰণ হয়। যেনে-

আমি [a]mi
কাকত k[a]kɒt
আমাক [a]m[a]k

[aː] :
প্ৰয়োগ- একাক্ষৰী শব্দসমূহত উচ্চাৰণ হয়। যেনে-

আম [a]m
কাক k[a]k

**স্বৰসংযুতি**

অসমীয়া ভাষাত সৰ্বাধিক পাঁচটা স্বৰৰ সংযুতি লক্ষ্য কৰা যায়। তলত একাদিক্ৰমে দুটা, তিনিটা, চাৰিটা আৰু পাঁচটা স্বৰৰ সংযুতি উদাহৰণসহ দাঙি ধৰা হ'ল-

দুটা স্বৰৰ সংযুতি

| | | | |
|---|---|---|---|
| ইউ | : | জ **ই উ** | (জীউ) |
| ইএ' | : | ন অ' দ **ই এ'** | (নদীয়ে) |
| ইএ | : | জ **ই এ** ক | (জীয়েক) |
| ইঅ' | : | জ **ই অ'** ৰ ই | (জীয়ৰী) |
| ইঅ | : | ক **ই অ** | (কিয়) |
| ইও | : | দ **ই ওঁ** ত আ | (দিওঁতা) |
| ইআ | : | ধ উ ন **ই আ** | (ধুনীয়া) |
| উই | : | জ **উ ই** | (জুই) |
| উএ' | : | গ অ' ৰ **উ এ'** | (গৰুৱে) |
| উও | : | গ অ' ৰ **উ ও** | (গৰুও) |
| উঅ' | : | শ **উ অ'** ন ই | (শুৱনী) |
| উঅ | : | স **উ অ** | (শুৱ) |
| উআ | : | স **উ আ** | (শুৱা) |
| এ'ই | : | এ ন **এ' ই** | (এনেই) |
| এ'উ | : | দ **এ' উ** | (দেউ) |
| এ'ও | : | ক অ' ল **এ' ও** | (ক'লেও) |
| এও | : | স **এ ও** | (সেও) |

| | | | |
|---|---|---|---|
| ওএ’ | : | স **ও এ’** | (শোৰে) |
| ওঅ | : | ৰ **ও** অ | (ৰোৰ) |
| ওঅ’ | : | ব **ও** অ’ ত ই | (বোৰতি) |
| ওও | : | ক **অ** ৰ ওঁ ও | (কৰোঁও) |
| অএ’ | : | ক **অ এ’** | (কয়) |
| অও | : | ল **অ ওঁ** | (লওঁ) |
| অঅ | : | ল **অ অ** | (লৰ) |
| অ’ই | : | ল **অ ই** | (লৈ) |
| অ’উ | : | **ম অ’ উ** | (মৌ) |
| আই | : | ন **আ ই** | (নাই) |
| আউ | : | ল **আ উ** | (লাউ) |
| আও | : | ন **আ ও** | (নাও) |
| আঅ’ | : | খ **আ অ’** ৰ ই আ | (খাৰৰীয়া) |
| আঅ | : | দ **আ অ** ৰ | (ডাৰৰ) |

t

**তিনিটা স্বৰৰ সংযুতি**

| | | | |
|---|---|---|---|
| ই এ’ ই | : | **ই এ’ ই** | (ইয়েই) |
| ওএ’ ই | : | ক অ ৰ **ওঁ এ’ ই** | (কৰোঁৱেই) |
| উ এ’ ই | : | গ অ’ ৰ **উএ’ ই** | (গৰুৱেই) |
| ই আ ই | : | জ **ই আ ই** | (জীয়াই) |
| এ আ ই | : | ব **এ আ ই** | (বেয়াই) |
| ও আ ই | : | জ **ওঁ আ ই** | (জোঁৱাই) |
| উ আ ই | : | প **উ আ ই** | (পুৰাই) |
| উ আ এ’ | : | খ **উ আ এ’** | (খুৱায়) |
| ই অ’ ই | : | ব **ই অ’ ই**(বিয়ৈ) | |
| ই অ এ’ | : | ন ই দ **ই অ এ’** | (নিদিয়ই) |
| আ ই ও | : | ল অ’ ৰ **আ ই ও** | (ল’ৰায়ো) |
| আ ই উ | : | **আ ই উ** | (আয়ু) |
| আ ই ই | : | দ **আ ই ই** | (দায়ী) |
| উ এ’ ও | : | গ অ’ ৰ **উ এ’ ও** | (গৰুৱেও) |
| ই আ ও | : | ন **ই আ ওঁ** ত এ’ | (নিয়াওঁতে) |
| ও আ ও | : | ক অ ৰ **ও আ ও** | (কৰোৱাওঁ) |
| উ আ ও | : | ব ৰ **উ আ ও** | (বৰুৱাও) |
| ই অ ও | : | জ **ই অ ও** | (জীৱও) |
| আ অ ও | : | ন আ জ **আ অ ও** | (নাযাৰও) |
| ও অ ও | : | ন ও ধ **ও অ ও** | (নোধোৰও) |

t

**চাৰিটা স্বৰৰ সংযুতি**
চাৰিটা স্বৰৰ সংযুতি পদান্ততহে মাত্ৰ দেখা যায়। যেনে-

| | | | |
|---|---|---|---|
| এ’ ই এ’ ই | : | জ এ’ ই এ’ ই | (যেয়েই) |
| ই ও এ ই | : | দ **ই ওঁ এ ই** | (দিওঁৱেই) |
| আ ই এ’ ই | : | প **আ ই এ’ ই** | (পায়েই) |
| আ ও এ’ ই | : | জ **আ ওঁ এ’ ই** | (যাওঁৱেই) |
| অ ওএ’ ই | : | ল অ **ওঁ এ’ ই** | (লওঁৱেই) |
| অ’ উ এ’ ই | : | ধ **অ’ উ এ’ ই** | (ঢৌৱেই) |
| উ ই এ’ ই | : | জ **উ ই এ’ ই** | ( জুয়েই) |
| এ ও আ ই | : | দ **এ ও আ ই** | ( ডেৰাই) |
| অ’ ই আ ই | : | ম **অ’ ই আ ই** | ( মৈয়াই) |

**পাঁচটা স্বৰৰ সংযুতি**

আ ই উ এ' ই: **আ ই উ এ' ই** (আয়ুৰেই)

উ আ ই এ' ই: ন অ চ **উ আ ই এ' ই** (নচুয়াইয়েই)

**অগ্ৰগতি নিৰীক্ষণ**

অসমীয়াত কেইধৰণৰ স্বৰ সংযুতি লক্ষ্য কৰা যায় আলোচনা কৰা-

স্বৰধ্বনিৰ বৈশিষ্ট্য

(ক) স্বৰধ্বনিবোৰ অনিয়ত।

(খ) অসমীয়া স্বৰবোৰ ঘোষ ধ্বনি।

(গ) স্বৰ একোটাৰ সহায়তহে অক্ষৰ একোটা গঢ়ি উঠিব পাৰে।

**অসমীয়া স্বৰসমূহৰ উৎস**

অসমীয়া স্বৰবৰ্ণসমূহৰ মূল সংস্কৃত যদিও অসমীয়া আৰু সংস্কৃতৰ স্বৰবৰ্ণসমূহৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। অসমীয়া আখৰৰ সংখ্যা সংস্কৃত বৰ্ণমালা অনুযায়ী ১১ (এঘাৰ) টা দেখুওৱা হয় যদিও অসমীয়া উচ্চাৰিত স্বৰৰ সংখ্যা ৮ (আঠ) টাহে। সংস্কৃত ভাষাত বিশিষ্ট ধ্বনি বা বৰ্ণ আৰু লিখিত আখৰৰ মাজত পাৰ্থক্য নাছিল। অৰ্থাৎ, যিমানবোৰ স্বৰ উচ্চাৰণ হৈছিল, আখৰো সিমান আছিল। ব্যৱহাৰ নথকা ধ্বনিবোৰৰ আখৰো বিলুপ্ত হৈ পৰিছিল। যেনে- বৈদিকৰ 'ৠ' আৰু 'ৡ' উচ্চাৰণ সংস্কৃতত অতি সীমিত ব্যৱহাৰ বা নোহোৱা হৈ পৰাৰ লগে লগে এই আখৰৰ ব্যৱহাৰো নোহোৱা হৈ পৰিছিল। পালি-প্ৰাকৃতত সংস্কৃতৰ সকলো স্বৰৰ উচ্চাৰণ নাথাকিল। অৰ্থাৎ, সংস্কৃতৰ 'ঋ' ধ্বনি পালি প্ৰাকৃতত অ, ই, এ, ই, আ আদি স্বৰলৈ আৰু দ্বিস্বৰ 'ঔ', ' ঐ' ক্ৰমে 'ও' আৰু 'এ' লৈ পৰিৱৰ্তন হ'ল। ফলত পালি-প্ৰাকৃতত স্বৰৰ উচ্চাৰণ থাকিলগৈ আঠটা।

সংস্কৃত অথবা পালি প্ৰাকৃতৰ স্বৰৰ হ্ৰস্ব-দীৰ্ঘ মাত্ৰা আছিল, কিন্তু অসমীয়াত হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য নোহোৱা হৈ পৰিল। সংস্কৃতৰ 'ই', 'ঈ' আৰু 'উ', 'ঊ' অসমীয়াত 'ই', আৰু 'উ' ৰূপেহে উচ্চাৰিত হয়। সংস্কৃত আৰু পালি-প্ৰাকৃতৰ 'অ' পৰা অসমীয়াত ক্ৰমে অ' আৰু 'অ''; আৰু 'এ'-ৰ ক্ৰমে 'এ' আৰু 'এ'' স্বৰৰ উৎপত্তি হয়। অসমীয়াৰ সুকীয়া স্বৰ দুটা লিখিবলৈ আখৰৰ অভাৱ; 'অ' আৰু 'এ' ৰ পৰা পৃথককৈ বুজাবলৈ ক্ৰমে 'অ'' আৰু 'এ'' ৰূপে লিখা হয়।

এইখিনিতে, সংস্কৃতৰ স্বৰসমূহে পালি-প্ৰাকৃতৰ মাজেদি কেনেদৰে বিৱৰ্তন আৰু বিকাশ লাভ কৰি অসমীয়া ৰূপ পালেহি তাৰ তুলনামূলক ৰূপ এটি তালিকাৰ জৰিয়তে দাঙি ধৰা হ'ল--

| সংস্কৃত | পালি-প্ৰাকৃত | অসমীয়া |
|---|---|---|
| সৰল স্বৰ<br>হ্ৰস্ব - অ, ই, উ<br>দীৰ্ঘ- আ, ঈ, ঊ | হ্ৰস্ব - অ, ই, উ, এ, ও<br>দীৰ্ঘ- আ, ঈ, ঊ | ই, উ, এ, এ' ও,<br>অ, অ', আ |
| যৌগিক স্বৰ<br>হ্ৰস্ব- এ, ও<br>দীৰ্ঘ - ঐ, ঔ | | |
| অৰ্ধ ব্যঞ্জন<br>হ্ৰস্ব- ঋ, ঌ<br>দীৰ্ঘ - ৠ, ৡ | | |

**ব্যঞ্জন বৰ্ণ**

অসমীয়াত ব্যঞ্জন বৰ্ণ চৰ টা । ‘য়’ আৰু ‘ৱ’ -এই অৰ্ধস্বৰ দুটাক বৰ্ণ বুলি ধৰিলে ব্যঞ্জনৰ সংখ্যা হয়গৈ চ্ব টা।

ব্যঞ্জনধ্বনিসমূহক উচ্চাৰণ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুসৰি ভাগ কৰি আলোচনা কৰা হয়। উচ্চাৰণৰ স্থান অনুযায়ী অসমীয়া ব্যঞ্জনবৰ্ণসমূহক ঔষ্ঠ্য, দন্তমূলীয়, পশ্চতালব্য, কণ্ঠ্য -- এনেদৰে ভাগ কৰিব পাৰি। ধ্বনি উচ্চাৰণৰ সময়ত স্বৰতন্ত্ৰীত হোৱা কম্পন অনুসৰি সঘোষ/ ঘোষ আৰু অঘোষ এনেদৰে ভাগ কৰা হয়। আকৌ, উচ্চাৰণৰ ধৰণ অনুসৰি অসমীয়া ব্যঞ্জনবৰ্ণসমূহ এনেধৰণৰ- স্পৰ্শ বা নিয়ত, উষ্ম, পাৰ্শ্বিক, কম্পিত।

নিয়ত বৰ্ণ বাৰটা। এই নিয়ত ধ্বনিকেইটা তিনি ঠাইত উচ্চাৰণ হয়- ওঁঠত, দন্তমূলত আৰু পাছ তালুত। সঘোষ আৰু অঘোষ নিয়ত ধ্বনিবোৰো আকৌ অল্পপ্ৰাণ আৰু মহাপ্ৰাণ হ’ব পাৰে। নিয়ত বৰ্ণ কেইটা হ’ল- প, ফ, ব, ভ, ত, থ, দ, ধ, ক, খ, গ, ঘ।

অনিয়ত বৰ্ণ মুঠতে এঘাৰটা। ইহঁতৰ ভিতৰত-

দুটা অন্তঃস্থ বৰ্ণ - য় আৰু ৱ
চাৰিটা ঘৃষ্ট বা উষ্ম বৰ্ণ - চ, জ, স, হ
এটা পাৰ্শ্বিক বৰ্ণ - ল
এটা কম্পিত বৰ্ণ - ৰ
তিনিটা নাসিক্য বৰ্ণ - ম, ন, ঙ

তলত উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি ব্যঞ্জন বৰ্ণৰ এখন তালিকা দাঙি ধৰা হ’ল -

| → উচ্চাৰণ স্থান | | ঔষ্ঠ্য | | দন্তমূলীয় | | পশ্চতালব্য | | কণ্ঠ্য |
|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ ধৰণ | | অঘোষ | সঘোষ | অঘোষ | সঘোষ | অঘোষ | সঘোষ | অঘোষ |
| নিয়ত | অল্পপ্ৰাণ | প (p) | ব (b) | ত (t) | দ (d) | ক (k) | গ (g) | |
| | মহাপ্ৰাণ | ফ ($p^h$) | ভ ($b^h$) | থ ($t^h$) | ধ ($d^h$) | খ ($k^h$) | ঘ ($g^h$) | |
| উষ্ম | | | | চ (s) | জ (z) | স (x) | | হ (h) |
| নাসিক্য | | | ম (m) | | ন (n) | | ঙ (ŋ) | |
| পাৰ্শ্বিক | | | | | ল (l) | | | |
| তাড়িত | | | | | ৰ (r) | | | |

অসমীয়াৰ এই ব্যঞ্জনবৰ্ণকেইটা লিখিবলৈ ৪১টা আখৰ ব্যৱহাৰ কৰা হয়। তলত এই ব্যঞ্জন বৰ্ণকেইটা লিখিবলৈ ব্যৱহাৰ কৰা আখৰসমূহ উল্লেখ কৰা হ’ল-

| বৰ্ণ | আখৰ |
|---|---|
| / প / | প |
| / ফ / | ফ |
| / ব / | ব, ৱ |
| / ভ / | ভ |
| / ত / | ত, ট, ৎ |
| / ঠ / | থ, ঠ |
| / দ / | দ, ড |
| / ধ / | ধ, ঢ |
| / ক / | ক |
| / খ / | খ, ক্ষ |
| / গ / | গ |
| / ঘ / | ঘ |
| / চ / | চ, জ, স (শ, ষ, স) |
| / জ / | জ, য, হ্য |
| / স / | স, শ, ষ |
| / হ / | হ, ঃ |
| / ম / | ম |

/ ন /  ন,ণ
/ ঙ /  ঙ, ং
/ ৰ /  ৰ, ড়, ঋ, ৰ্, ্ৰ
/ ল /  ল

### ব্যঞ্জন ধ্বনিসমূহৰ প্ৰয়োগ বিচাৰ-

অসমীয়া ব্যঞ্জন ধ্বনিসমূহৰ প্ৰয়োগৰ ক্ষেত্ৰত মন কৰিবলগীয়া হ'ল- অসমীয়াত 'ঙ' বৰ্ণটোৰ আদ্য প্ৰয়োগ নাই। কিন্তু, মধ্য আৰু অন্ত্য প্ৰয়োগ আছে।

তলত অসমীয়া ব্যঞ্জনবৰ্ণসমূহৰ আদি মধ্য আৰু অন্ত্য অৱস্থানত বিৰোধ বিচাৰ কৰি দেখুওৱা হ'ল-

| বৰ্ণ | আদ্য | মধ্য | অন্ত্য |
|---|---|---|---|
| / প / | / প আ ল / (পাল) | / এ প আ ল / (এপাল) | / প আ প / (পাপ) |
| / ফ / | / ফ আ ল / (ফাল) | / এ ফ আ ল / (এফাল) | / প আ ফ / (পাফ) |
| / ব / | / ব আ প / (বাপ) | / আ ব আ ল / (আবাল) | / প আ ব / (পাব) |
| / ভ / | / ভ আ প / (ভাপ) | / আ ভ আ স / (আভাস) | / প আ ভ / (পাভ) |
| / ত / | / ত আ প / (তাপ) | / ত ই ত আ / (তিতা) | / প আ ত / (পাত) |
| / থ / | / থ আ ন / (থান) | / ম ই থ আ / (মিঠা) | / ন আ থ / (নাথ) |
| / দ / | / দ আ ন / (দান) | / আ দ অ ৰ / (আদৰ) | / ব অ দ / (বদ) |
| / ধ / | / ধ আ ন / (ধান) | / আ ধ আ ৰ / (আধাৰ) | / ব অ ধ / (বধ) |
| / ক / | / ক আ ন / (কাণ) | / আ ক অ ৰ / (আকৰ) | / চ অ ক / (তক) |
| / খ / | / খ আ ন (খান) | / আ খ অ ৰ / (আখৰ) | / চ অ খ / (চখ) |
| / গ / | / গ আ ন / (গান) | / আ গ অ ৰ / (আগৰ) | / প আ গ / (পাগ) |
| / ঘ / | / ঘ আ ম / (ঘাম) | / আ ঘ আ ত / (আঘাত) | / ব আ ঘ / (বাঘ) |
| / চ / | / চ আ প / (চাপ) | / আ চ আ ৰ / (আচাৰ) | / ব আ চ / (বাছ) |
| / জ / | / জ আ প / (জাপ) | / আ জ আ ৰ / (আজাৰ) | / ব আ জ / (বাজ) |
| / স / | / স আ প / (সাপ) | / আ স আ ৰ / (আষাঢ়) | / ব আ স / (বাস) |
| / হ / | / হ আ ন / (হান) | / আ হ আ ৰ (আহাৰ) | / ব আ হ / (বাহ) |
| / ম / | / ব আ ম / (বাম) | / ব আ ম হ / (বামি) | / ব আ ম / (বাম) |
| / ন / | / ন আ ম / (নাম) | / ব আ ন ই / (বাণী) | / চ ই ন / (চিন) |
| / ঙ / | --- | / ব আ ঙ ই / (বাঙি) | / চ ই ঙ / (চিং) |
| / ৰ / | / ৰ আ খ / (ৰাখ) | / ম অ ৰ অ ম / (মৰম) | / প আ ৰ / (পাৰ) |
| / ল / | / ল আ খ / লাখ) | / ম অ ল অ ম / (মলম) | /প আ ল / (পাল) |

**অন্তঃস্থ বৰ্ণ-**

অসমীয়াৰ অন্তঃস্থ বৰ্ণ দুটা হৈছে 'ৱ' আৰু 'য়'। এই অন্তঃস্থ ধ্বনিবোৰ অনিয়ত। ইহঁতক শ্ৰুতিধ্বনি বুলি কোৱাও হয়।

সাধাৰণতে 'ৱ' আৰু 'য়' ধ্বনিৰ শব্দৰ আদিতে স্বৰ-পূৰ্ববৰ্তী স্থানত পোৱা নাযায়। পূৰ্ববৰ্তী ব্যঞ্জনৰ লগত সংযুক্ত অৱস্থানত 'ৱ'-ৰ ও, উ আৰু য়'-ৰ এ', ই ৰ লগত বিৰোধ ঘটা দেখা যায়।

### বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহৰ উপধ্বনি

অল্পপ্ৰাণ বৰ্ণৰ উপধ্বনি-

/ p / :  / p /

[p]  [pː]  [p˺]

[p] : অঘোষ, অল্পপ্ৰাণ, দ্বৌষ্ঠ্য মুক্ত নিয়ত ধ্বনি।

প্ৰয়োগ- স্বৰৰ পূৰ্ব আৰু পৰৱৰ্তী ধ্বনিৰূপে শব্দৰ আদি আৰু মধ্য স্থানত উচ্চাৰিত হয়। যেনে-

পাব [p]ɐp˺


পাম [p]ɐm
চাপৰ sɐ[p]ɒr

[pː]:
প্ৰয়োগ- ‘ৰ’ সংযুক্ত পৰিৱেশত অথবা ‘ৰ’ ৰ পৰৱৰ্তী স্থানত ইয়াৰ উচ্চাৰণ অৰ্ধদীৰ্ঘ হয়।
সৰ্প xɒr[pː]ɒ
বিপ্ৰ bi[pː]rɒ

কিন্তু শব্দৰ আদিতে নাইবা তিনিটা বৰ্ণৰ সংযুক্ত স্থানত ‘ৰ’ যুক্ত হ’লেও দীৰ্ঘ নহয়।
প্ৰাণী [pː]rɐni
আপ্ৰাণ ɐ[pː]rɐn

[p˺] : অঘোষ; অল্পপ্ৰাণ, দ্বৌষ্ঠ্য অমুক্ত নিয়ত ধ্বনি।
প্ৰয়োগ- শব্দৰ শেষত আৰু মধ্যস্থানত p, t, k, s আদিৰ সৈতে আদ্য-সংযুক্ত ধ্বনিৰূপে উচ্চাৰিত হয়। যেনে-
মাপ mɐ[p˺]
সাপ xɐ[p˺]
সপ্তাহ xɒ[p˺]tɐh


/ b / :




[b]: সঘোষ; অল্পপ্ৰাণ, দ্বৌষ্ঠ্য মুক্ত নিয়ত ধ্বনি।
প্ৰয়োগ- স্বৰৰ পূৰ্ব আৰু পৰৱৰ্তী ধ্বনিৰূপে শব্দৰ আদি আৰু মধ্য স্থানত উচ্চাৰিত হয়। যেনে-
বাপ [b]ɐp
বাম [b]ɐm
কবৰ kɒ[b]ɒr

[b˺] : সঘোষ; অল্পপ্ৰাণ, দ্বৌষ্ঠ্য অমুক্ত নিয়ত ধ্বনি।
প্ৰয়োগ- শব্দৰ শেষত আৰু মধ্যস্থানত b, d, z আদিৰ লগত আদ্য-সংযুক্ত ধ্বনিৰূপে উচ্চাৰিত হয়। যেনে-
বাব bɐ[b˺]
বোবা bo[b˺]ɐ
শব্দ xɒ[b˺]dɒ

/ t / :




[t˺] :
প্ৰয়োগ- শব্দৰ শেষত আৰু সংযুক্ত ব্যঞ্জনৰ আদি অৱস্থানত উচ্চাৰিত হয়। যেনে-
তাত [t]ɐ[t˺]
কৰত kɒrɒ[t˺]

আত্মা ɐ[t˺]mɐ
যত্ন zɒ[t˺]nɒ

[t̪] :

t̪

প্ৰয়োগ- ‘ই’, ‘এ’’ আৰু ‘এ’ স্বৰবৰ্ণ কেইটাৰ মধ্যৱৰ্তী অৱস্থানত। যেনে-

তিল [t̪]il
তেওঁ [t̪]eõ
তেতেলি [t̪]e[t̪]eli

t

[ʈ] :

প্ৰয়োগ- ‘ৰ’ পৰৱৰ্তী স্থানত উচ্চাৰিত হয়। যেনে-

কুৰ্তা kur[ʈ]ɐ
মূৰ্তি mur[ʈ]i

[t] :

প্ৰয়োগ- উপৰিউক্ত পৰিৱেশৰ বাহিৰে আন সকলো স্থানত। যেনে-

তাত [t]ɐ[t˺]
তুমি [t]umi
পটল pɒ[t]ɒl

/ d / :

d̪

/ d /

[ d ] [d̪] [d˺]

[d] :

প্ৰয়োগ- স্বৰৰ পূৰ্ব আৰু পৰৱৰ্তী ধ্বনিৰূপে হয়। যেনে-

দাঁত [d]ɐ̃t
দিন [d]in
আদেশ ɐ[d]ex

[d̪] :

প্ৰয়োগ- সংযুক্ত ব্যঞ্জনৰ আদ্য অৱস্থানত উচ্চাৰণ হয়। যেনে-

আড্ডা ɐ[d̪][d]ɐ
আদ্ৰ ɐ[d̪]rɒ

[d˺] :

প্ৰয়োগ- পদান্তত উচ্চাৰণ হয়। যেনে-

বেদ be[d˺]
আমোদ ɐmo[d˺]


[dː]

প্ৰয়োগ- ‘ৰ’ পৰৱৰ্তী স্থানত উচ্চাৰিত হয়। যেনে-

পৰ্দা pɒr[dː]ɐ
উৰ্দু ur[dː]u
কৰ্দৈ kɒr[dː]ɒi

d

/ k / :




[ k ] :

প্ৰয়োগ- আ স্বৰৰ আগত থকা [ক]–ৰ কোমল তালুৰ ঠিক মাজভাগতে উচ্চাৰণ হয়। আন্তঃস্বৰ অৱস্থানত ই শিথিল আৰু সুথিৰ। যেনে-

ককা [k]ɒ[k]ɐ

চাকৰ sɐ[k]ɒr

[k˺] :

প্ৰয়োগ- পদান্তত উচ্চাৰণ হয়। যেনে-

দিক di[k˺]

আমাক ɐmɐ[k˺]

বন্দুক bɒndu[k˺]

[kː] :

প্ৰয়োগ- সংযুক্ত ব্যঞ্জনৰ আদি ধ্বনিৰূপে উচ্চাৰিত হয়। যেনে-

তক্তা tɒ[kː]tɐ


ভক্ত b$^{h}$ɒ[kː]tɒ

[k$^{j}$]:

প্ৰয়োগ- 'য়'-কাৰ সংযুক্ত হ'লে উচ্চাৰণ হয়। যেনে-

বাক্য bɐ[k$^{j}$]ɒ

/ g / :




g̱

[ g] :

প্ৰয়োগ- আন্তঃস্বৰ অৱস্থানত 'গ'–ৰ পশ্চতালব্য সঘোষ অল্পপ্ৰাণ ধ্বনিৰূপে উচ্চাৰিত হয়। ই স্বৰৰ আগত থাকিলে ঈষৎ তালব্যীভূত হয়। যেনে-

বেগী be[g]i

লগুণ lɒ[g]un

[g̱] :

প্ৰয়োগ- 'পদান্ত গ উচ্চাৰণত স্ফোটন নহয়। এনে 'গ' -ৰ উচ্চাৰণ-স্থান প্ৰান্তীয় স্বৰৰ পিছত হ'লে অলপ আগলৈ যায় আৰু বাকীবোৰ স্বৰৰ পিছত থাকিলে অলপ পিছলৈ আহে। যেনে-

বেগী be[g̱]i

লগুণ lɒ[g̱]un

[g$^{J}$] :

প্ৰয়োগ- 'য়'-কাৰ, সংযুক্ত হ'লে 'গ' সদায় অৰ্ধদীৰ্ঘ আৰু সুথিৰ হয়। যেনে-

আজ্ঞা ɐ[g$^{J}$]ɐ

ভাগ্য b$^{h}$ɐ[g$^{J}$]ɒ


[gː] :

প্ৰয়োগ- 'ৰ'-কাৰ, সংযুক্ত হ'লে 'গ' সদায় অৰ্ধদীৰ্ঘ আৰু সুথিৰ হয়। যেনে-

অগ্ৰ ɒ[gː]rɒ
উগ্ৰ u[gː]rɒ

**মহাপ্ৰাণ বৰ্ণ**

/ $p^h$ / :





[$p^h$] :
প্ৰয়োগ- শব্দত স্বৰধ্বনিৰ আগত আৰু আন্তঃস্বৰ অৱস্থানত [$p^h$]–ৰ উচ্চাৰণ হয়। যেনে-

ফাল $p^h$ɐ[$p^h$]l
লফা lɒ[$p^h$]ɐ

[ɸ] :
প্ৰয়োগ- শব্দৰ শেষত [ɸ]–ৰ উচ্চাৰণ হয়। যেনে-

মাফ mɐ[ɸ]
জিৰাফ zirɐ[ɸ]

/ $b^h$ / :





[$b^h$] :
প্ৰয়োগ- শব্দত স্বৰধ্বনিৰ আগত আৰু আন্তঃস্বৰ অৱস্থানত [$p^h$]–ৰ উচ্চাৰণ হয়। যেনে-

ভাৰ [$b^h$]ɐr
আভাস ɐ[$b^h$]ɐx

[β] :
প্ৰয়োগ- শব্দৰ শেষত [β]–ৰ উচ্চাৰণ হয়। যেনে-

লাভ lɐ[β]
সূলভ xulɒ[β]

t̪ / $t^h$ / :




[$t^h$] :
প্ৰয়োগ- শব্দৰ আদ্য, মধ্য আৰু সংযুক্ত ৰূপত উচ্চাৰণ হয়। যেনে-

থান [t$^h$]ɐn
পিঠা pi[t$^h$]ɐ

[t$^{h:j}$] :

প্ৰয়োগ- 'য়' কাৰ সংযুক্ত হ'লে উচ্চাৰণ হয়। স্বৰৰ পাছত থাকিলে অৰ্ধদীৰ্ঘ হয়। যেনে-

পাঠ্য pɐ[t$^{h:j}$]ɒ
কণ্ঠ্য kɒː[t$^{h:j}$]ɒ

[ṭ$^h$] :

প্ৰয়োগ- 'ই' ৰ পূৰ্ববৰ্তী স্থানত উচ্চাৰণ হয়। যেনে-


ঠিক ɒr[t$^{h2}$]ɒ
জেঠী swar[t$^{h2}$]ɒ

[ʈ$^h$] :

প্ৰয়োগ- 'ৰ'-কাৰ সংযুক্ত হ'লে উচ্চাৰণ হয়। যেনে-

অৰ্থ ɒr[ʈ$^h$]ɒ
ব্যৰ্থ bjɒr[ʈ$^h$]ɒ

/ d$^h$ / :




[d$^h$] :

প্ৰয়োগ- শব্দৰ আদ্য, মধ্য আৰু সংযুক্ত ৰূপত উচ্চাৰণ হয়। যেনে-

ধান [d$^h$]ɐn
প্ৰধান prɒ[d$^h$]ɐn
আবদ্ধ ɐbɒd[d$^h$]ɒ

[d$^{h:}$] :

প্ৰয়োগ- 'য়' কাৰ সংযুক্ত হ'লে উচ্চাৰণ হয়। যেনে-

আধ্যা ɐ[d$^{h:}$]jɐ
বাধ্য bɐ[d$^{h:}$]jɒ

[ɖ$^h$] :

প্ৰয়োগ- 'ৰ' -ৰ পৰৱৰ্তী স্থানত উচ্চাৰণ হয়। যেনে-


অৰ্ধ ɒr[ɖ$^h$]ɒ
মূৰ্ধণ্য mur[ɖ$^h$]ɒnjɒ

[d$^{h˺}$] :

প্ৰয়োগ- অন্ত্যস্থানত প্ৰায়োগ হয়। যেনে-

বান্ধ bɐn[d$^{h˺}$]
আধ ɐ[d$^{h˺}$]

/ $k^h$ / **:**




[$k^h$] **:**

প্ৰয়োগ- শব্দৰ আদ্য, মধ্য আৰু সংযুক্ত ৰূপত উচ্চাৰণ হয়। যেনে-

খাল [$k^h$]ɐl
ওখ o[$k^h$]ɒ
শৃঙ্খল sriŋ[$k^h$]ɒl

[$k^h$] **:**

প্ৰয়োগ- পদান্তত ‘ই’, ‘এ’’, ‘এ’, ‘উ’ আৰু ‘অ’’ ৰ উচ্চাৰণত স্ফোটন নহয়। যেনে-


দুখ du[$k^{h1}$]
বিখ bi[$k^{h\urcorner}$]

[$k^{hj}$] **:**

প্ৰয়োগ- ‘য়’-কাৰ সংযুক্ত অৱস্থাত উচ্চাৰিত হয়। যেনে-

ব্যাখ্যা bjɐ[$k^{hj}$]ɐ
আখ্যা ɐ[$k^{hj}$]ɐ

/ $g^h$ / **:**




[$g^h$] **:**

প্ৰয়োগ- শ্বদৰ আদিতে উচচাৰণ হয়। যেনে-

ঘিণ [$g^h$]in
ঘূণ [$g^h$]un

[$g^h$ː] **:**

প্ৰয়োগ- শব্দৰ মাজত ‘ৰ’-কাৰ আৰু ৰেফ সংযুক্ত অৱস্থাত উচ্চাৰণ হয়। যেনে-

অৰ্ঘ ɒr[$g^h$ː]ɒ
ব্যাঘ্ৰ bjɐ[$g^h$ː]rɒ


[$g^{h\urcorner}$] **:**

প্ৰয়োগ- পদান্তত উচ্চাৰণ হয়। যেনে-

বাঘ bɐ[$g^{h\urcorner}$]
মাঘ mɐ[$g^{h\urcorner}$]

**উষ্ম ধ্বনি**

/ s / :




[s] :

প্ৰয়োগ- শব্দৰ আদ্য আৰু মধ্য স্থানত [s] ধ্বনিৰ উচ্চাৰণ হয়। যেনে-

চাল [s]ɐl

মাছ mɐ[s]

[sː] :

প্ৰয়োগ- শব্দৰ অন্ত্য আৰু [s] আদিৰ লগত সংযুক্ত আদ্য ধ্বনিৰূপে উচ্চাৰণ হয়। যেনে-

বাছ bɐ[sː]

উচ্চ u[sː]sɒ


[ʃ] :

প্ৰয়োগ- 'ৰ'ৰ পৰৱৰ্তী স্থানত উচ্চাৰণ হয়। যেনে-

আৰ্চী ɐr[ʃ]i

আৰ্চী sɒr[ʃ]a

/ z / :




[z] :

প্ৰয়োগ- শব্দৰ আদ্য আৰু মধ্য স্থানত [z] ধ্বনিৰ উচ্চাৰণ হয়। যেনে-

জাবৰ [z]ɐbɒr

জাল [z]ɐl

[dz] :

প্ৰয়োগ- শব্দৰ আদ্যস্থানত [u] আৰু [i] ধ্বনিৰ আগত [dʒ] উচ্চাৰণ হয়। যেনে-

জুনা [dʒ]unɐ

জিলমিল [dʒ]ilmil

[zː] :

প্ৰয়োগ- ই'ৰ পৰৱৰ্তী স্থানত আৰু 'ৰ' লগত সংযুক্ত অৱস্থাত উচ্চাৰণ হয়। যেনে-

বীজ bi[zː]


বজ্ৰ bɒ[zː]rɒ

[zʰ] :

প্ৰয়োগ- এই ধ্বনিৰ উচ্চাৰণ গোৱালপাৰাৰ দেশী ভাষাতহে প্ৰধানকৈ পোৱা যায়। শব্দৰ আদি, মধ্য আৰু অন্ত্য স্থানত উচ্চাৰণ হয়। যেনে-

ঝাড়ু [zʰ]ɐru

/ x / :




[x] :

প্ৰয়োগ- শব্দৰ আদি, মধ্য আৰু অন্ত্য স্থানত [ x ] ধ্বনিৰ উচ্চাৰণ হয়। যেনে-

সাপ [x]ɐp

নাশ nɐx

[ç] :

প্ৰয়োগ- [ i ] ধ্বনিৰ আগত বা পাছত উচ্চাৰণ হয়। যেনে-

শিল [x]il


বিষ bix

[ɰ̥] :

প্ৰয়োগ- শব্দৰ আদি, মধ্য আৰু অন্ত্য স্থানত [ x ] ধ্বনিৰ আগত উচ্চাৰণ হয়। যেনে-

শ’ল [ɰ̥]ɔl

/ h / :




[h] :

প্ৰয়োগ- শব্দৰ আদি স্থানত উচ্চাৰণ হয়। যেনে-

হাল [h]ɐl

হুল hɔnu

[ɦ] :


প্ৰয়োগ- শব্দৰ মধ্য আৰু অন্ত্যস্থানত উচ্চাৰণ হয়। যেনে-

বহ bɒ[ɦ]

বহুৱা bɒ[ɦ]uwɐ

**নাসিক্য ধ্বনি-**

[m] :




[m] :

প্ৰয়োগ- শব্দৰ আদিতে উচ্চাৰণ হয়। যেনে-

মন [m]ɒn

মৰম [m]ɒrɒm

[mː] :

প্ৰয়োগ- ‘য়’- কাৰ সংযুক্ত অৱস্থানত উচ্চাৰণ হয়। যেনে-

কাম্য　kɐ[mː]jɒ
ৰম্য　rɒ[mː]jɒ

[ɱ] :

প্ৰয়োগ- ‘স’ বৰ্ণৰ পাছত সংযুক্ত অৱস্থানত [ɱ]-ৰ উচ্চাৰণ হয়। । যেনে-


উষ্ম　us[ɱ]ɒ
স্মৰণ　s[ɱ]ɒrɒn

[m˺] :

প্ৰয়োগ- পদান্তত উচ্চাৰণ হয়। । যেনে-

মৰম　mɒrɒ[m˺]
নাম　nɐ[m˺]

[n] :




[n] :

প্ৰয়োগ- শব্দৰ আদি, মধ্যস্থানত উচ্চাৰণ হয়। যেনে-

নাক　[n]ɐk
মনন　mɒ[n]ɒn

[ ɳ ] :

প্ৰয়োগ- ৰেফ সংযুক্ত হ’লে মূৰ্ধণ্য উচ্চাৰণ হয়। যেনে-


বৰ্ণ　bɒr[ɳ]ɒ
কৰ্ণ　kɒr[ɳ]ɒ

[n˺] :

প্ৰয়োগ- পদান্ত  উচ্চাৰণ হয়। যেনে-

ধান　$d^{h}$ɐ[n˺]
কাণ　kɐ[n˺]

[ŋ] :




[ŋ] :

প্ৰয়োগ-  শব্দৰ মধ্য আৰু পদান্তত উচ্চাৰণ হয়। যেনে-


আঙুৰ　ɐ[ŋ]ur
শিং　xi[ŋ]

[ŋː] :

প্ৰয়োগ- সংযুক্ত বৰ্ণৰ আদ্যৰূপে [ŋː]-ৰ উচ্চাৰণ হয়। যেনে-

সঙ্গ　xɒ[ŋː]gɒ
অংশ　ɒ[ŋː]xɒ

[r] :




[r] :

প্ৰয়োগ- / p /, / b /, / z /, / s /, / d / আদি ধ্বনিৰ সৈতে সংযুক্ত হৈ [r] উচ্চাৰণ হয়। যেনে-

| | |
|---|---|
| প্ৰশ্ন | p[r]ɒsnɒ |
| বজ্ৰ | bɒz[r]ɒ |

[ ɾ ] :

প্ৰয়োগ- আন্তঃস্বৰ অৱস্থানত [ ɾ ]-ৰ উচ্চাৰণ হয়। যেনে-


| | |
|---|---|
| আৰু | ɐ[ɾ]ru |
| জাৰু | zɐ[ɾ]ru |

[ ɻ ] :

প্ৰয়োগ- আন্তঃস্বৰ আদ্যস্থানত [ ɻ ]-ৰ উচ্চাৰণ হয়। যেনে-

| | |
|---|---|
| ৰস | [ ɻ ]ɒx |
| ৰাম | [ ɻ ]ɐm |

[l] :




[l] :

প্ৰয়োগ- শব্দৰ সকলো অৱস্থানতে উচ্চাৰণ হয়। যেনে-

| | |
|---|---|
| ল'ৰা | [l]ɔrɐ |
| বিলাহী | bi[l]ɐhi |
| ফুল | pʰu[l] |

[lː] :

প্ৰয়োগ- 'য়'-কাৰ সংযুক্ত অৱস্থানত [lː] উচ্চাৰণ হয়। যেনে-

| | |
|---|---|
| বাল্য | bɐ[lː]jɒ |
| মূল্য | mu[lː]jɒ |

**সংযুতি**

সন্নিহিত বা ধ্বনিৰ অনুক্ৰমেই হৈছে সংযুতি। ভাষাবিশেষে সংযুতি কেতবোৰ নিয়মৰ অধীন হয়। অসমীয়া ভাষাৰ স্বৰ আৰু ব্যঞ্জন সংযুতি সমূহ তলত আলোচনা কৰা হ'ল-

**ব্যঞ্জন সংযুতি**

অসমীয়া ভাষাত অলেখ সংযুক্ত বৰ্ণ আৰু ব্যঞ্জন সংযুতি পোৱা যায়। এই সংযুক্ত ব্যঞ্জন শব্দৰ আদি, মধ্য আৰু অন্ত্য তিনিওটা অৱস্থানতে লক্ষ্য কৰা যায়। আদি আৰু মধ্য স্থানত সৰ্বাধিক তিনিটা আৰু পদান্তত কেৱল দুটা ব্যঞ্জন সংযুক্ত হ'ব পাৰে। সাধাৰণতে তৎসম আৰু বিদেশী ঋণ শব্দত সংযুক্ত ব্যঞ্জনৰ প্ৰয়োগ বেছি।

শব্দৰ আদিতে পোৱা দুটা ব্যঞ্জনৰ সংযুক্ত ৰূপবোৰ এনেধৰণৰ-

(ক) ৰ-কাৰ সংযুক্তঃ প্ৰ, ব্ৰ, ভ্ৰ, ত্ৰ, দ্ৰ, ধ্ৰ, ক্ৰ, গ্ৰ, ঘ্ৰ ম্ৰ, ন্ৰ, স্ৰ, হ্ৰ

(খ) 'ল' সংযুক্ত বৰ্ণ- প্ল,. ক্ল, ব্ল, ৰ্ল, ম্ল, স্ল

(গ) 'য়' কাৰ সংযুক্ত - তয়, বয়, গয়, খয়, ধয়, ময়, নয়, সয়, জয়

(ঘ) 'ব' সংযুক্ত বৰ্ণ- দ্ব, স্ব

(ঙ) 'স' প্ৰথম বৰ্ণৰূপে সংযুক্ত হ'লে ঃ স্প, স্ত, স্ক, স্থ, স্খ, স্ম, স্ন, স্ৰ, স্ল, স্য়, স্ব

সেইদৰে তিনিটা বৰ্ণৰ সংযোগেৰে গঠিত ৰূপ কেইটা হ'ল- স্প্ৰ, স্ত্ৰ, স্ক্ৰ, স্ম্ৰ। ইয়াৰে প্ৰথম আৰু তৃতীয়টো ৰূপ কেৱল বিদেশী শব্দতহে ব্যৱহাৰ হয়।

**পদান্তৰ ব্যঞ্জন সংযুতি**

তলত উল্লেখ কৰা ব্যঞ্জন সংযুতি কেইটাহে মাত্ৰ পদান্ততহে পোৱা যায়। সেইকেইটা হ'ল-

(ক) ম্প, ম্ভ

(খ) ন্ত, ন্দ, ন্ধ, ন্স

(গ) ৰ্ত, ৰ্স, ৰ্জ, ৰ্হ

(ঘ) ল্ক

মন কৰিবলগীয়া যে এই ব্যঞ্জন সংযুতিসমূহৰ ভিতৰত ম্প, ন্স, ৰ্ত কেৱল বিদেশী ঋণ শব্দতহে ব্যৱহৃত হয়।

**দ্বিত্ব ব্যঞ্জন**

অসমীয়াত তলত দিয়া ব্যঞ্জন কেইটা দ্বিত্ব ৰূপত পোৱা যায়। এই দ্বিত্ব ব্যঞ্জন কেইটা হ'ল--

প্প, ত্ত, ক্ক, চ্চ, ব্ব, দ্দ, গ্গ, ম্ম, ন্ন, ঙ্ঙ, ল্ল, জ্জ

**তিনিটা বৰ্ণৰ সংযুতি**

তলত তিনিটা বৰ্ণৰ সংযুতিৰ উদাহৰণ দাঙি ধৰা হ'ল-

(ক) স্প্ৰ, স্ত্ৰ, স্ক্ৰ, স্ম্ৰ

(খ) ন্ত্ৰ, ন্দ্ৰ, ন্ধ্ৰ, ঙ্ক্ৰ, ঙ্গ্ৰ, ম্প্ৰ, ম্ভ্ৰ

(গ) ন্ত্য, ন্দ্য, ঙ্গ্য, ঙ্ঘ্য, ঙ্খ্য;

(ঘ) ৰ্চ্চ , ৰ্জ্জ, ৰ্জ্য

তলত কেতবোৰ ব্যঞ্জনৰ সংযুতিৰ উদাহৰণ দাঙি ধৰা হ'ল --

দুটা ব্যঞ্জনৰ সংযুতি

| | | |
|---|---|---|
| প্ত | সপ্ত | (সপ্ত) |
| প্ন | স্বপ্ন | (স্বপ্ন) |
| ত্ক | উত্কত | (উৎকত) |
| ত্থ | উত্থআন | (উত্থান) |
| কক | মঅক্কআ | (মক্কা) |
| ক্ৰ | সউক্ৰঅ | (শুক্ৰ) |
| ব্দ | সঅতআব্দই | (শতাব্দী) |
| দ্ধ | দ্ৰবয় | (দ্ৰব্য) |
| ন্দ | বঅন্দউক | (বন্দুক) |
| ন্ধ | বঅন্ধঅ | (বন্ধ) |
| নথ | মঅন্থৰ | (মন্থৰ) |
| ম্ব | দইম্বঅ | (ডিম্ব) |
| ম্ভ | স্তঅম্ভঅ | (স্তম্ভ) |
| ম্ম | জঅম্মউ | (জম্মু) |
| ঙ্খ | সঅঙ্খঅ | (শংখ) |
| ঙ্ঘ | সঅঙ্ঘঅ | (সংঘ) |
| স্ক | স্কঅনধঅ | (স্কন্ধ) |
| স্ন | স্নান | (স্নান) |
| স্য় | স্য়আম | শ্যাম |
| ব্ধ | লঅব্ধঅ | (লব্ধ) |
| ব্জ | কঅব্জআ | (কব্জা) |
| জ্ৰ | বঅজ্ৰঅ | (বজ্ৰ) |
| ৰপ | দঅৰ্পঅ | (দৰ্প) |
| ল্ল | উল্লআস | (উল্লাস) |
| ল্গ | ফঅল্গউ | (ফল্গু) |
| ল্ম | সআল্মঅলই | (শাল্মলী) |
| হ্ন | বঅহ্নই | (বহ্নি) |
| হ্ল | আহ্লআদ | (আহ্লাদ) |

**তিনিটা সংযুক্ত ব্যঞ্জনৰ উদাহৰণ**

| | | |
|---|---|---|
| স্প্ৰ | দউস্প্ৰআপয়অ | (দুষ্প্রাপ্য) |
| স্ত্ৰ | স্ত্ৰই | (স্ত্রী) |
| ন্ত্ৰ | জন্ত্ৰঅ | (যন্ত্র) |
| ন্দ্ৰ | চঅন্দ্ৰঅ | (চন্দ্র) |
| ঙ্ক্ৰ | সঅঙ্ক্ৰআনতই | (সংক্রান্তি) |
| ঙ্গ্ৰ | সঅঙ্গ্ৰহ | (সংগ্ৰহ) |

**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন - সংযুতি মানে কি? অসমীয়া ভাষাত স্বৰ আৰু ব্যঞ্জন সংযুতিৰ বিষয়ে আলোচনা কৰা-

প্রশ্ন- অসমীয়া ভাষাত সর্বাধিক কিমানটা স্বৰ আৰু ব্যঞ্জন সংযুতি পোৱা যায় আলোচনা কৰা-

**লয় বর্ণ**

বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহৰ উচ্চাৰণৰ উপৰি কিছুমান অতিৰিক্ত ধ্বনিগুণ থাকে। এই অতিৰিক্ত ধ্বনিগুণসমূহ ধ্বনিৰ উচ্চাৰণৰ ওপৰত নির্ভৰ কৰে। এই ধ্বনিগুণসমূহকে লয় বোলা হয়। সন্ধি, শ্বাসাঘাত বা বলাঘাত, সুৰ আদি ভাষাৰ লয়। শব্দ, অক্ষৰ আৰু বাক্যৰ স্তৰত লয়ৰ তাৰতম্য ঘটিলে অর্থৰ সলনি হ'ব পাৰে।

অসমীয়া ভাষাত এই লয় বর্ণ তিনিধৰণৰ পোৱা যায়-- সন্ধি, শ্বাসাগাত আৰু অনুনাসিকতা।

**সন্ধি**

কথা কওঁতে ওচৰা ওচৰিকৈ থকা ধ্বনিবোৰৰ মাজত কেতিয়াবা একোটা সংযোগ ঘটে আৰু সংক্রমণ ঘটে। এই সংক্রমণকেই সন্ধি বোলা হয়। ক'ব পাৰি, ধ্বনি সংযোগৰ লয়ে ধ্বনি। সাধাৰণতে সন্ধি দুই প্রকাৰৰ- আভ্যন্তৰীণ বা বদ্ধ সন্ধি () আৰু বহিঃ বা মুক্ত সন্ধি ()। শব্দৰ ভিতৰৰ ধ্বনিবোৰৰ মাজত হোৱা সন্ধিক আভ্যন্তৰীণ বা বদ্ধ সন্ধি বোলা হয়। যেনে- খাম। শব্দটোত 'খ'ৰ পৰা 'ম'লৈ অর্থাৎ, 'খ-আ-ম' সংযোগ বা সংক্রমণ আভ্যন্তৰীণ বা বদ্ধ সন্ধি।

বাক্যত প্রয়োগ হোৱা শব্দবোৰত কেতিয়াবা কোনো কোনো পূর্বৱৰ্তী শব্দৰ অন্ত্য ধ্বনিৰ লগত পৰৱৰ্তী শব্দৰ আদি ধ্বনিৰ মাজত সংযোগ হয়। এনে সন্ধিক বহিঃ বা মুক্ত সন্ধি বোলা হয়। যেনে-

'সি পাৰ লৈ গ'ল।' এই বাক্যটোত ধ্বনি সংযোগ বা সংক্রমণৰ পৰিৱৰ্তন ঘটিলে অর্থৰ পৰিৱৰ্তন হ'ব। যেনে-

'সি পাৰলৈ গ'ল।'

নাইবা, 'সিপাৰলৈ গ'ল। '

উপৰিউক্ত তিনিওটা বাক্যৰে অর্থগত তাৰতম্যৰ কাৰণ বহিঃ বা মুক্ত সন্ধি।

**শ্বাসাঘাত**

কথা কওঁতে কিছুমান অক্ষৰৰ উচ্চাৰণত হাওঁ ফাওঁৰ পৰা ওলাই অহা বায়ুপ্রবাহ বেছিকৈ নির্গত হয় বা জোৰ পৰে। অর্থাৎ, কিছুমান অক্ষৰত জোৰ বেছিকৈ পৰে আৰু কিছুমান অক্ষৰত জোৰ কমকৈ পৰে। ধ্বনিৰ উচ্চাৰণত নির্গত হোৱা বায়ুৰ এই চাপকে শ্বাসাঘাত বা বলাঘাত বোলা হয়। অক্ষৰৰ মুখৰতা এই শ্বাসাঘাতৰ ওপৰত নির্ভৰ কৰে।

শ্বাসাঘাত দুই প্রকাৰৰ- শাব্দিক শ্বাসাঘাত আৰু বাক্য শ্বাসাঘাত। শব্দৰ আপেক্ষিক শ্বাসাঘাতক শাব্দিক শ্বাসাঘাত আৰু বাক্যৰ শ্বাসাগাতক বাক্য শ্বাসাঘাত বোলা হয়। অসমীয়া ভাষাতশাব্দিক শ্বাসাঘাত দুই প্রকাৰৰ-- মুখ্য বা গুৰু শ্বাসাঘাত আৰু গৌণ বা লঘু শ্বাসাঘাত। বায়ুৰ চাপ বেছি হ'লে মুখ্য বা গুৰু শ্বাসাঘাত আৰু বায়ুৰ চাপ কম হ'লে গৌণ বা লঘু শ্বাসাঘাত হয়। মুখ্য বা গুৰু শ্বাসাঘাতক () বা গৌণ বা লঘু শ্বাসাঘাতক () এই চিনেৰে নির্দেশ কৰা হয়।

বাক্য শ্বাসাঘাতো দুই ধৰণৰ- (১) সাধাৰণ বাক্য শ্বাসাঘাত; আৰু (২) গুৰুত্বজ্ঞাপক শ্বাসাঘাত।

অসমীয়া ভাষাত শ্বাসাঘাতৰ ফলত হোৱা অর্থ পৰিৱৰ্তনৰ উদাহৰণ হ'ল-

'হ'ল।' (সন্মতিসূচক)

'হ'ল?' (প্রশ্নসূচক)

'হ'ল!' (আশ্চর্যবোধক)

**অনুনাসিকতা**

বিশেষকৈ স্বৰধ্বনিৰ উচ্চাৰণত কোমল তালুখন তললৈ নমাই নাসিকাবিৱৰেদি হাওঁফাওঁৰ পৰা ওলাই বায়ুৰ প্রৱেশ পথ মুকলি কৰি বর্হিগামী বায়ুপ্রবাহৰ একাংশ নাসিকাবিৱৰেদি উলিয়াই পঠিয়াব পাৰি। অর্থাৎ, হাওঁ ফাওঁৰ পৰা ওলাই অহা বায়ু প্রবাহৰ একাংশ মুখেৰে আৰু একাংশ নাকেৰে উলিয়ায় পঠিয়াব পাৰি। এনেদৰে নাসিকাবিৱৰেদি আৰু মুখবিৱৰেদি বর্হিগামী বায়ুপ্রবাহ নির্গত হ'লেই অনুনাসিকতাৰ সৃষ্টি হয়। অসমীয়াত অনুনাসিকতা বুজাবলৈ ँ (চন্দ্রবিন্দু) আখৰ ব্যৱহাৰ কৰা হয়। স্বৰধ্বনিৰ সৈতে এই অনুনাসিকতা উচ্চাৰণ কৰা হয়।

অসমীয়া ভাষাত অনুনাসিকতা বিশিষ্ট ধ্বনি। অৰ্থাৎ, অনুনাসিকতাই শব্দৰ অৰ্থ পৰিৱৰ্তন কৰে। যেনে-

| | | | |
|---|---|---|---|
| / ক আঁ হ / | : কাঁহ, | / ক আ হ / | : কাহ, |
| / ব আঁ হ / | : বাঁহ, | / ব আ হ / | : বাহ। |

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন- লয় বৰ্ণ কাক বোলে? অসমীয়া কি কি লয় বৰ্ণ পোৱা যায় উদাহৰণসহ লিখা।

**অধিক জানিবলৈ**

গোস্বামী, ড গোলোকচন্দ্ৰ: *অসমীয়া বৰ্ণপ্ৰকাশ*, বীণা লাইব্ৰেৰী, গুৱাহাটী-০১।
মৰল, দীপংকৰ: *ব্যৱহাৰিক ধ্বনিবিজ্ঞান*, বনলতা, গুৱাহাটী-০১।
Kakati, Banikanta: Assamese, Its Formation and Development, LBS Publication, Guwahati.

**অসমীয়া ব্যঞ্জন বৰ্ণসমূহৰ বৈশিষ্ট্য-**

(ক) সংস্কৃতৰ দন্ত্য আৰু মূৰ্ধণ্য ধ্বনিৰ ঠাইত অসমীয়াত কেৱল দন্তমূলীয় ধ্বনিহে পোৱা যায়। অসমীয়া ভাষাৰ এই বৈশিষ্ট্যমূলক উচ্চাৰণত তিব্বতবৰ্মীয় ভাষাৰ প্ৰভাৱ থাকিব পাৰে বুলি কিছু সংখ্যক পণ্ডিতে মন্তব্য কৰিছে।

ড° বাণীকান্ত কাকতিয়ে কৈছে- 'The loss of distinction and the establishment of alveolar pronounciation have been attributed to Tibeto-Burman influence.'। ড° সুনীতিকুমাৰ চেট্টাৰ্জীৰ মন্তব্যও অনুৰূপ। অসমৰ তিব্বত বৰ্মীয় ভাষাসমূহত দন্তমূলীয় ধ্বনিৰ অৱস্থিতিৰ বাবেই পণ্ডিতসকলৰ এনে মন্তব্য। ড° লীলাৱতী শইকীয়া বৰাই 'অসমীয়া ভাষা আৰু আৰ্যভিন্ন ভাষাঃ এটি পৰ্যালোচনা' শীৰ্ষক প্ৰবন্ধত কৈছে- " ...মূল তিব্বতবৰ্মী ভাষাত দন্তমূলীয় ধ্বনি নাছিল; ............ অসমৰ তি ব্বতবৰ্মী ভাষাবোৰত মূলত নথকা সত্বেও দন্তমূলীয় ধ্বনি নতুনকৈ গঢ় লৈ উঠিল, .......... । গতিকে সংস্কৃত তালব্য, দন্ত্য আৰু মূৰ্ধণ্য ধ্বনি অসমীয়াত দন্ত্যমূলীয় হিচাপে উচ্চাৰিত হোৱা প্ৰক্ৰিয়াত তিব্বত-বৰ্মী প্ৰভাৱ পৰিছে বুলি মানি লব নোৱাৰি।" তিব্বতবৰ্মী ভাষাৰ প্ৰভাৱৰ বিপৰীতে আন এটা গুৰুত্বপূৰ্ণ মত দাঙি ধৰিছে ড° ৰমেশ পাঠকে। তেখেতৰ মতে, মূল অষ্ট্ৰিক ভাষাত দন্তমূলীয় ধ্বনি আছিল। অসমৰ প্ৰাচীনতম বাসিন্দা খাছীসকলৰ ভাষাতো এই দন্তমূলীয় ধ্বনিৰ অৱস্থিতি আছে। কিন্তু, খাছীভাষাৰ বাদে আন ভাৰতীয় অষ্ট্ৰিকভাষাত দন্তমূলীয় ধ্বনি নাই। ড° ৰমেশ পাঠকে সেয়ে অষ্ট্ৰিকভাষাৰ দন্তমূলীয় ধ্বনি অসমীয়াৰ জৰিয়তেহে অসমৰ তিব্বত-বৰ্মী ভাষাসমূহলৈ যায় বুলি ক'ব খোজে।

(খ) সংস্কৃতৰ 'শ', 'ষ' আৰু 'স' উচ্চাৰণ অসমীয়াত নাই। এই তিনিওটাৰ ঠাইত ঠাইত কেৱল পশ্চতালব্য অঘোষ উষ্ম ধ্বনিহে পোৱা যায়। এই ধ্বনিটো অসমীয়া ভাষাৰ বাহিৰে আন মাগধীয় ভাষা-গুচ্ছত নাই। ধ্বনিটোৰ অসমীয়া ভাষাত কেনৈকৈ ক'ৰ পৰা আহিল, তাৰ উত্তৰো সন্তোষজনকভাৱে কোনেও দিব পৰা নাই। এইপশ্চতালব্য অঘোষ উষ্ম ধ্বনিটো লিখিবলৈ অসমীয়াত সুকীয়া আখৰৰ অভাৱ।

(গ) অসমীয়াত সংস্কৃতৰ বিসৰ্গৰ উচ্চাৰণ নাই।

(ঘ) সংস্কৃত 'অনুস্বাৰ'ৰ মূল উচ্চাৰণ লোপ হৈছে। অসমীয়াত ই 'ঙ' হিচাপেহে উচ্চাৰণ হয়। অসমীয়াত 'ঙ' আৰু 'ং'ৰ উচ্চাৰণৰ পাৰ্থক্য নাই।

(ঙ) অসমীয়াত 'ঞ' আখৰটো আছে যদিও সংস্কৃতৰ তালব্য-নাসিক্যৰ উচ্চাৰণ নহয়। অনুনাসিক স্বৰধ্বনি 'য়ঁ' বা ইয়ঁ' হিচাপেহে ইয়াৰ উচ্চাৰণ পোৱা যায়।

সংস্কৃতৰ তালব্য, দন্ত্য আৰু মূৰ্ধণ্য ধ্বনিবৰ্গই অসমীয়াত ধ্বনিগুণ হেৰুৱাইছে। বিপৰীতে, সংস্কৃতৰ ওষ্ঠ্য আৰু কণ্ঠ্য বা পশ্চতালব্য ব্যঞ্জনসমূহ অসমীয়াত ৰক্ষিত হৈছে।

**অধিক জানিবলৈ**

--------- *অসমীয়া ভাষাত জনগোষ্ঠীয় ভাষাৰ প্ৰভাৱ* (২০০২), নগাঁও ছোৱালী কলেজ, নগাঁও।

Bhattacharya, Pramod Chandra (2003): Aspects of North East Indian Languages: Anandaram Borooah Institute of Language, Art & Culture, North Guwahati, Assam

>